**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ দ্বিতীয় পৰ্যায়ৰ পদ্ম সন্মান প্ৰদান। অসমৰ যশস্বী নৃত্যশিল্পী যতীন গোস্বামীসহ ৬৯ গৰাকীলৈ পদ্ম সন্মান।

২। অসম আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ অনুসন্ধান শাখাক দুৰ্নীতি নিবাৰক আৰু তদাৰকী সঞ্চালকালয়ৰ সৈতে একত্ৰিকৰণৰ বাবে ৰাজ্য চৰকাৰৰ আনুষ্ঠানিক নিৰ্দেশ জাৰি।

৩। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে জ্যেষ্ঠ অধিবক্তা শ্বামিমা জাহানৰ আজি শপতগ্ৰহণ।

৪। মণিপুৰৰ গোৱালটাবিৰ ঘটনা সন্দৰ্ভত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰৰ নাগৰিক মণ্ডলক আশ্বাস। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ ৬ উইকেটত জয়লাভ।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত দ্বিতীয় পৰ্যায়ৰ পদ্ম সন্মান প্ৰদান অনুষ্ঠানত ৬৯ গৰাকী ব্যক্তিক এই সন্মানেৰে বিভূষিত কৰে। অনুষ্ঠানত ৩ গৰাকী ব্যক্তিক পদ্ম বিভূষণ, ৯ গৰাকীক পদ্মভূষণ আৰু ৫৭ গৰাকীক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰা হয়। এই অনুষ্ঠানত অসমৰ যশস্বী নৃত্যশিল্পী, নৃত্যাচাৰ্য যতীন গোস্বামীক পদ্মভূষণ সন্মানেৰে সন্মানিত কৰা হয়। সত্ৰীয়া নৃত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি অহা শ্ৰীগোস্বামীক ২০০৮ চনত কেন্দ্ৰীয় চৰকাৰে পদ্মশ্ৰী সন্মান আগবঢ়াইছিল। ২০১৯ চনত সংগীত নাটক একাডেমীয়ে ২০১৮ চনত একাডেমীৰ সৰ্বোচ্চ সন্মান, সংগীত নাটক একাডেমী ফেল'শ্বিপ বা সদস্যৰত্ন প্ৰদান কৰে। পণ্ডিত ড০ মহেশ্বৰ নেওগ আৰু ড০ ভূপেন হাজৰিকাৰ পাছত সংগীত ৰত্ন সন্মান লাভ কৰা শ্ৰীগোস্বামী হৈছে তৃতীয়গৰাকী অসমীয়া। খ্যাতনামা শিল্পীগৰাকীলৈ পদ্মভূষণ সন্মান প্ৰদান সন্দৰ্ভত শিল্পীগৰাকীৰ শিষ্যা, বিশিষ্ট নৃত্যশিল্পী তথা সংগীত নাটক একাডেমী বঁটাপ্ৰাপক অনিতা শৰ্মাই এইদৰে কয়—

**বাইট (অনিতা শৰ্মা)**

কালিৰ অনুষ্ঠানত প্ৰাক্তন মুখ্য ন্যায়াধীশ জগদীশ সিং খেহৰ আৰু কুমুদনি ৰজনীকান্ত লাখিয়াক ৰাজহুৱা পৰিক্ৰমা আৰু কলা ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে পদ্ম বিভূষণ সন্মানেৰে বিভূষিত কৰা হয়। প্ৰসিদ্ধ লোক গায়িকা সাৰদা সিনহাক মৰণোত্তৰভাৱে এই সন্মান প্ৰদান কৰা হয়। কৈলাশ নাথ দিক্ষিত, সাধ্বী ৰিতমভৰাৰ লগতে ৯ গৰাকী ব্যক্তিক পদ্মভূষণ সন্মানেৰে বিভূষিত কৰা হয়। বিশিষ্ট অৰ্থনীতিবিদ বিবেক দেৱৰায়ক মৰণোত্তৰভাৱে এই সন্মানেৰে বিভূষিত কৰা হয়।

০০০০০০

অসম চৰকাৰে অসম আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ অনুসন্ধান শাখা অৰ্থাৎ বি আই ই অ-ক দুৰ্নীতি নিবাৰক আৰু তদাৰকী সঞ্চালকালয়ৰ সৈতে একত্ৰিকৰণৰ আনুষ্ঠানিক নিৰ্দেশ জাৰি কৰিছে। গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে এখন জাননীযোগে এই নিৰ্দেশ জাৰি কৰে। এই অনুসৰি বৰ্তমানৰ বি আই ই অ-ৰ সকলো পদৰ কৰ্মচাৰীকে অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক আৰু তদাৰকী সঞ্চালকালয়লৈ বদলি কৰা হৈছে। একেদৰে বি আই ই অ কাৰ্যালয়ৰ গোচৰ তথা অন্যান্য সকলো নথি-পত্ৰ সঞ্চালকালয়লৈ হস্তান্তৰ কৰা হৈছে। তদুপৰি আই পি এছ আৰু এ পি এছ কেডাৰৰ পদৰ বাহিৰে বৰ্তমান বি আই ই অ-ত খালী হৈ থকা সকলো পদ তাৎক্ষণিকভাৱে বিলোপ কৰা হৈছে বুলি জাননীখনত প্ৰকাশ পাইছে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শ্বামিমা জাহানে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে শপতগ্ৰহণ কৰিব। আজি দিনৰ ১০ বজাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত আয়োজিত এটা অনুষ্ঠানত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে-শ্বামিমা জাহানক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপত  বাক্য পাঠ কৰোৱাব।

ইপিনে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ তিনিগৰাকী ন্যায়াধীশসহ দেশৰ মুঠ ২১ গৰাকী ন্যায়াধীশক ভিন্ন ৰাজ্যৰ উচ্চ ন্যায়ালয়লৈ বদলিত অনুমোদন জনাইছে। সেই অনুসৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ এল জমীৰক কলকাতা উচ্চ ন্যায়ালয়, ন্যায়াধীশ মানস ৰঞ্জন পাঠকক ওড়িশা উচ্চ ন্যায়ালয়, আৰু ন্যায়াধীশ সুমন শ্যামক বোম্বে উচ্চ ন্যায়ালয়লৈ বদলিৰ অনুমোদন দিয়া হৈছে।

০০০০০০

মণিপুৰৰ গোৱালটাবিৰ ঘটনা সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব বুলি ৰাজ্যখনৰ নাগৰিক মণ্ডলক আশ্বাস দিছে। মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতিৰ সৌহাৰ্দ্যপূৰ্ণ সমাধানৰ বাবে ৰাজ্যখনৰ নাগৰিক সমাজ সংগঠনৰ শীৰ্ষ সংস্থা **কো-অৰ্ডিনেটিং কমিটী অন মণিপুৰ ইণ্টিগ্ৰিটী** চমুকৈ কোকোমিৰ সাতজন সদস্যৰ এটা প্ৰতিনিধি দলে কালি নতুন দিল্লীত গৃহ মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। মন্ত্ৰালয়ে কোকোমিৰ প্ৰতিনিধি দলটোক এই সপ্তাহৰ আৰম্ভণিতে বিশেষ আমন্ত্ৰণ জনাইছিল। গৃহ মন্ত্ৰ্যালয়ৰ উত্তৰ-পূব শাখাৰ বাবে থকা উপদেষ্টা এ কে মিশ্ৰ আৰু যুটীয়া সঞ্চালক ৰাজেশ কামলেই মন্ত্ৰালয়ৰ হৈ প্ৰতিনিধিত্ব কৰে। প্ৰতিনিধি দলটোৱে যোৱা ৩ মে'ত ইম্ফলত আয়োজিত গণ সমাবেশত গ্ৰহণ কৰা প্ৰস্তাৱ সন্দৰ্ভত জনসাধাৰণৰ অনুভূতিৰ প্ৰতি সঁহাৰি জনাবলৈ মন্ত্ৰালয়ক আহ্বান জনায়। বৈঠকত শেহতীয়া গোৱালটাবিৰ ঘটনাত সেনাবাহিনীৰ এটা দলে মণিপুৰ ৰাজ্যিক পৰিবহণ বিভাগৰ বাছৰ পৰা মণিপুৰ শব্দটো আঁতৰাবলৈ ৰাজ্যখনৰ সাংবাদিকৰ এটা দলক নিৰ্দেশ দিয়াক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কৰ বিষয়ে আলোচনা কৰা হয়। সংস্থাটোৱে লগতে এই সংঘৰ্ষক লৈ কোকোমি আৰু অন্যান্য অংশীদাৰসকলৰ স্থিতি সন্দৰ্ভতো আলোকপাত কৰে।

ইপিনে, কোকোমিয়ে আহ্বান জনোৱা গণ অসহযোগ আন্দোলনৰ কালি তৃতীয় দিনাও এই ঘটনাক লৈ জনসাধাৰণে ৰাজ্যখনৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাক ক্ষমা খোজাৰ দাবী জনাই বিভিন্ন অঞ্চলত প্ৰতিবাদ সাব্যস্ত কৰে।

oooooo

ৰে'ল মন্ত্ৰণালয়ে ডিব্ৰুগড় আৰু নতুন দিল্লীৰ মাজত চলাচল 12423, 12424 নম্বৰৰ ৰাজধানী এক্সপ্ৰেছ পুনৰ ডিফু ষ্টেচনত ৰখোৱাৰ সিদ্ধান্ত লৈছে। ডিফু লোকসভা সমষ্টিৰ সাংসদ অমৰ সিং টিছ'ৱে ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক কৰা অনুৰোধমৰ্মে ৰে'ল বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে পূৰ্বতে এই ৰাজধানী এক্সপ্ৰেছখন ডিফু ষ্টেচনত ৰখোৱাৰ ব্যৱস্থা আছিল যদিও কাৰিকৰী কাৰণত এই ৰে'লগাড়ীখন ডিফু ষ্টেচনত ৰখোৱাটো প্ৰত্যাহাৰ কৰা হৈছিল। অহা কেইদিনমানৰ ভিতৰতে এই সিদ্ধান্ত কাৰ্যকৰী হ'ব বুলি ৰে'ল বিভাগৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

oooooo

গুৱাহাটীৰ চানমাৰী আৰক্ষীয়ে মহানগৰীখনৰ বিভিন্ন ডেম্পৰ পৰা যোৱা কেইদিনত প্ৰায় ১০ কোটি টকা মূল্যৰ কেইবা কুইণ্টল চুৰি ধাতবীয় সামগ্ৰী উদ্ধাৰ কৰিছে। উদ্ধাৰ কৰা সামগ্ৰীসমূহৰ ভিতৰত মটৰ গাড়ীৰ অংশ থকা ৫০ কেজি ওজনৰ এশটা বেগ, কাঁহ পিতলৰ সামগ্ৰীৰ ২ হেজাৰ কেজি ওজনৰ বস্তা, পূজা সামগ্ৰী, তামৰ তাঁৰ, লোহা আৰু এলুমিনিয়ামৰ নিৰ্মাণ সামগ্ৰী আদিও আছে। চানমাৰীৰ উপ-আৰক্ষী আয়ুক্তগৰাকীয়ে জনোৱা মতে, বিকাশ জৈন নামৰ এজন লোকৰ এজাহাৰৰ ভিত্তিত আৰক্ষীৰ দলে আজি গীতানগৰৰ এটা ডেম্পত তালাচী চলাই নুৰ আলম নামৰ ডেম্পৰ গৰাকীজনক চুৰি সামগ্ৰীসহ গ্ৰেপ্তাৰ কৰে। তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে বিনোদ ৰায় নামৰ আন এজন বৃহৎ ডেম্পৰ গৰাকীক মালিগাঁৱৰ পৰা আটক কৰে। আৰক্ষীৰ সূত্ৰই জনোৱা মতে চুৰি সামগ্ৰীসমূহ প্ৰথমে সৰু ডেম্পত বিক্ৰী কৰা হয় আৰু পাছত মহানগৰীৰ বৃহৎ ডেম্পে এই সামগ্ৰীসমূহ গলাই বিভিন্ন আকৃতিত দিল্লী আৰু ৰাজ্যৰ বাহিৰৰ আন উদ্যোগলৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে বুলি উপ-আৰক্ষী আয়ুক্ত সন্তাৰী মিশ্ৰই প্ৰকাশ কৰিছে। ....... **বাইট**

oooooo

বিটিআৰৰ নিৰ্বাচনত ৪০টা সমষ্টিতে বিজেপিয়ে প্ৰাৰ্থী দিব বুলি দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই ঘোষণা কৰিছে। কালি ওদালগুৰিত বিজেপিৰ সক্ৰিয় কাৰ্যকৰ্তা সভা আৰু যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদগৰাকীয়ে এই কথা প্ৰকাশ কৰে। এন ডি এত অসম গণ পৰিষদ, বিজেপি আৰু ইউ পি পি এলৰ মিত্ৰতা থকাৰ পাছতো বিটিআৰৰ নিৰ্বাচনত প্ৰতিটো দলে সুকীয়াকৈ অৱতীৰ্ণ হ'ব। অসম গণ পৰিষদে ১০ খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে অবড়ো সুৰক্ষা সমিতি, অসমে এই নিৰ্বাচনত ১৫টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি কালি মুছলপুৰত এখন সংবাদমেলত প্ৰকাশ কৰে।

oooooo

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে কাইলৈৰ পৰা ১২ জুনলৈ সমগ্ৰ দেশজুৰি বিকশিত কৃষি সংকল্প অভিযানৰ আয়োজন কৰিছে। এই অভিযানৰ উদ্দেশ্য হৈছে– দেশৰ ৭০০ খন জিলাৰ প্ৰায় ডেৰ কোটি কৃষকক কৃষি আৰু আনুষংগিক ক্ষেত্ৰসমূহৰ বিষয়ে সজাগ কৰা। অসমতো এই অভিযানত ২৬ খন জিলাৰ ৩ হাজাৰ ২৫০ খন গাঁও আৰু ৫ লাখৰো অধিক কৃষকক সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে এই অভিযানৰ বাবে কৃষি বিভাগ, আনুষংগিক বিভাগ আৰু কৃষি বিজ্ঞানীসকলক লৈ ৫২টা গোট গঠন কৰা হৈছে। এই কাৰ্যসূচীৰ সময়ছোৱাত খাৰিফ শস্য উৎপাদনত সহায়ক হোৱাকৈ বহনক্ষম প্ৰযুক্তিৰ বিষয়ে প্ৰচাৰ, ছইল হেল্থ কাৰ্ডৰ

আধাৰত সাৰৰ ব্যৱহাৰ, কৃষি খণ্ডৰ বিভিন্ন সমস্যাৰ অধ্যয়ন আৰু ইয়াৰ ওপৰত প্ৰাথমিকভাৱে গৱেষণাৰ ৰূপৰেখা তৈয়াৰ কৰা ব্যৱস্থা কৰা হ'ব। কালি গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত ভাৰতীয় কিষাণ সংঘ অসমৰ বিষয়ববীয়াসকলে এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয়, যে কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে ভাৰতীয় কিষাণ সংঘক এই অভিযানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনোৱাৰ উপৰি চৰকাৰী বিভাগসমূহক এই অভিযানত কিষাণ সংঘক জড়িত কৰিবলৈ আহ্বান জনাইছে।

এই অভিযানৰ অংশ হিচাপে ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰই জিলা প্ৰশাসন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কৃষি, পশু আৰু দুগ্ধ তথা মৎস্য বিভাগৰ সহযোগত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। ১৩ দিনীয়া এই কাৰ্যসূচীত জিলাখনৰ ৫২টা স্থানৰ সকলো গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ হাজাৰৰো অধিক কৃষকক সামৰি লোৱা হ'ব। ধেমাজিৰ বাটঘৰীয়া গাঁও পঞ্চায়তত কাইলৈ এই অভিযানৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ড০ ৰণোজ পেগু উপস্থিত থকাৰ কথা।

যোৰহাট জিলাত হ'বলগীয়া বিকশিত কৃষি সংকল্প অভিযান সফলভাৱে ৰূপায়ণৰ বাবে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত বিশেষ সভা অনুষ্ঠিত হয়। সভাত যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী, জিলা কৃষি বিষয়া, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ প্ৰতিনিধিকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটত পৰাস্ত কৰে। এই জয়ৰ সুবাদত বেংগালুৰুৱে এই বছৰৰ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষ দুটা স্থানত স্থান লাভ কৰিছে। তালিকাত পঞ্জাৱ শীৰ্ষ স্থানত আছে। কাইলৈ প্ৰথমখন কোৱালিফায়াৰ খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে পঞ্জাবৰ বিৰুদ্ধে খেলিব। আনহাতে, তৃতীয় স্থানত থকা গুজৰাট টাইটানছে অহা শুকুৰবাৰে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ২২৮ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰপ্ৰাপ্ত অধিনায়ক জিতেশ শৰ্মাৰ ৮৫ আৰু বিৰাট কোহলিৰ ৫৪ ৰাণৰ সহায়ত ১৮ অভাৰ ৪টা বলতে মাত্ৰ চাৰিটা উইকেট হেৰুৱাই ২৩০ ৰাণ কৰে। জিতেশ শৰ্মাক প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়।

oooooo

ভাৰত-বাংলাদেশ সীমান্তত কালি ১৪ বাংলাদেশী অনুপ্ৰৱেশকাৰীক লৈ সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতিত সীমান্ত সুৰক্ষা বাহিনীয়ে শূন্যলৈ গুলীচালনা কৰিবলগীয়া হয়। অনুপ্ৰৱেশকাৰীকেইজনক বাংলাদেশলৈ ওভতাই পঠিয়াবলৈ নিওতেই বাংলাদেশৰ সীমান্তৰক্ষী বিজিবিয়ে বাধা প্ৰদান কৰাৰ পাছত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। এই বাতৰিটোক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন কাকতেই প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। *বাংলাদেশ সীমান্তত উত্তেজনা-বি এছ এফৰ গুলী, বিতাৰিত বাংলাদেশীক চমজি লবলৈ অস্বীকাৰ চুবুৰীয়া ৰাষ্ট্ৰৰ* শিৰোনামেৰে এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশ পাইছে। আমাৰ অসম কাকতত একেটা বাতৰিকে *No Mans Landত এৰি দিয়া হল মহিলাসহ ১৪ সন্দেহযুক্ত বাংলাদেশীক, গুলী ফুটালে BSFএ*

শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰা হৈছে। ৰাজ্যজুৰি হোৱা প্ৰতিবাদৰ অন্তত জামিন লাভৰ পাছতে মুকলি আকাশৰ তললৈ আহিল সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা। সোমবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে জামিন মঞ্জুৰ কৰিছিল ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰত থকা সদৌ অসম ছাত্ৰ সন্থা প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ। মঙলবাৰে সকলো আইনী প্ৰক্ৰিয়া সমাপন কৰি ডিব্ৰুগড় কাৰাগাৰৰ পৰা ওলাই আহিল শংকৰজ্যোতি বৰুৱা। *অসমীয়া খবৰ, দৈনিক জনমভূমি, দৈনিক অসম,* আমাৰ অসম, অসমীয়া প্ৰতিদিনকে ধৰি প্ৰায়কেইখন কাকতেই এই বাতৰিটোক আলোকচিত্ৰসহ সবিস্তাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দেৰগাঁৱৰ বাদুলীপাৰত কালি দিনদুপৰতে স্বগৃহত এটা দম্পতীক অজ্ঞাত ঘাতকে আক্ৰমণ কৰাৰ বাতৰিটো আন কাকতসমূহৰ লগতে দৈনিক অগ্ৰদূত কাকতত প্ৰকাশ পাইছে। অহা ২২ জুনৰ পৰা কামাখ্যা মন্দিৰত চাৰিদিনীয়াকৈ অম্বুবাচী মেলাৰ আয়োজন কৰা বাতৰিটো The Sentinal কাকতে প্ৰকাশ কৰিছে। জুন মাহত এইবাৰ স্বাভাৱিকতকৈ অধিক হাৰত বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা এটা বাতৰি The Assam Tribune* কাকতত মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰা হৈছে।

০০০০০০

অসমৰ অন্যতম জনগোষ্ঠী দেউৰী সকলৰ ভাষাটো সুৰক্ষিত কৰাৰ বাবে ১০ হাজাৰ শব্দ সামৰি দেউৰী-অসমীয়া-ইংৰাজী অভিধান চলিত বছৰতে প্ৰকাশ পাব। আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা চমুকৈ এবিলেকে এই ত্ৰিভাষিক অভিধানখন প্ৰস্তুত কৰাৰ বাবে শেষৰখন কৰ্মশালাৰ আয়োজন কৰিছে। ২০১৩ চনতে এই অভিধানখন প্ৰণয়ন কৰাৰ কাম আৰম্ভ হৈছিল যদিও সম্পূৰ্ণ হোৱা নাছিল। প্ৰতিষ্ঠানটোৰ বৰ্তমানৰ সঞ্চালক ড০ সুদেষ্ণা ভট্টাচাৰ্যৰ উদ্যোগত বৰ্তমান অভিধানখনৰ শেষ পৰ্যায়ৰ কাম চলি আছে। এবিলেকৰ উত্তৰ-গুৱাহাটীৰ ৰজাদুৱাৰত থকা মুখ্য কাৰ্যালয়ত অনুষ্ঠিত কৰ্মশালাত দেউৰী সাহিত্য সভাৰ সভাপতি ড০ যড়ানন দেউৰীকে ধৰি দেউৰী সমাজৰ ১১ গৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০

নগাঁও চহৰৰ ৰামকৃষ্ণ পথ নিবাসী বিশিষ্ট ক্ৰীড়া সংগঠক গৌৰীশংকৰ ৰয়ৰ কালি নিশা দেহাৱসান ঘটে। নগাঁও বেংগলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শাৰীৰিক নিৰ্দেশক গৌৰীশংকৰ ৰয়ৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৬৫ বছৰ।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মিজোৰাম, নাগালেণ্ড, মণিপুৰ আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা দুই-তিনি দিনত গুৱাহাটী মহানগৰীৰ বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে ঠাইবিশেষে প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মহানগৰীৰ লোকসকলক সতৰ্ক হৈ থকাৰ লগতে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

oooooo

সমাপ্ত